# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs
Date : 10-05-2025

***Assamese Evening Bulletin***
***Headlines***

১। ভাৰত আৰু পাকিস্তানে ততালিকে কাৰ্যকৰী হোৱাকৈ গুলিবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে।

২। ভাৰতে ভৱিষ্যতে যিকোনো সন্ত্ৰাসবাদী কাৰ্যকলাপক দেশৰ বিৰুদ্ধে যুদ্ধ বুলি গণ্য কৰাৰ সিদ্ধান্ত লৈছে।

৩। ভাৰতীয় সেনাই জম্মুৰ সমীপৰ কেইবাটাও পাকিস্তানী চকী আৰু ভালেসংখ্যক লন্স পেড ধবংস কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰতিৰক্ষা ৰাজনাথ সিং আৰু সেনা বাহিনীৰ তিনিওটা শাখাৰ মুৰববীসকলৰ সৈতে বৈঠকত মিলিত হয়। ***আৰু***

৫। ভাৰতে সিন্দুৰ অভিযান আৰম্ভ কৰাৰ পিছত পাকিস্তানত জইছ্ ই মহম্মদ আৰু লস্কৰ এ তৈয়বাৰ ৫ জন সন্ত্ৰাসবাদী নিহত হৈছে

০০০০০

ভাৰত আৰু পাকিস্তানে ততালিকে কাৰ্যকৰী হোৱাকৈ গুলিবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে আজি নতুন দিল্লীত এই বিষয়ে ঘোষণা কৰে। তেওঁ কয়, যে পাকিস্তানৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধানে আজি দুপৰীয়া সংঘৰ্ষ বিৰতিৰ বাবে ফোনযোগে আহ্বান জনায় আৰু ইয়াৰ পাছতে বিষয়টোলৈ আলোচনা হয়। এই আলোচনাত দুয়োপক্ষই গুলিবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ ৰাখিবলৈ সন্মতি প্ৰকাশ কৰে। তেওঁ কয় যে দুয়ো পক্ষই স্থল, জল আৰু আকাশমাৰ্গৰে সকলো ধৰণৰ গুলিবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ কৰিব। এই সিদ্ধান্ত কাৰ্যকৰী কৰাৰ বাবে দুয়োপক্ষক নিৰ্দেশ দিয়া হৈছে বুলি বিদেশ সচিবগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ১২ মে'ত সামৰিক অভিযানৰ সঞ্চালক প্ৰধান পৰ্যায়ৰ আলোচনা পুনৰ অনুষ্ঠিত হ'ব।

বাইট -মিশ্ৰি

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে ভাৰত আৰু পাকিস্তানে গুলিবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ কৰা সন্দৰ্ভত বুজাবুজিত উপনীত হৈছে বুলি প্ৰকাশ কৰিছে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কয় যে ভাৰতে সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে দৃঢ় আৰু আপোচবিহীন স্থিতি গ্ৰহণ কৰি আহিছে। আগলৈও এই স্থিতি অব্যাহত থাকিব বুলি মন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে কয়।

০০০০০

ভাৰতে ভৱিষ্যতে যিকোনো সন্ত্ৰাসবাদী কাৰ্যকলাপক দেশৰ বিৰুদ্ধে যুদ্ধ বুলি গণ্য কৰাৰ আৰু সেই অনুসৰি সহাৰি জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চৰকাৰৰ শীৰ্ষ সূত্ৰই এই কথা নিশ্চিত কৰিছে।

ooooo

পাকিস্তানৰ প্ৰৰোচনামূলক ব্যৱস্থাৰ পাছত ভাৰতে সিন্দুৰ অভিযানৰ জৰিয়তে ইছলামাবাদত আক্ৰমনাত্মক আৰু প্ৰতিৰক্ষা সামৰ্থৰ বিৰুদ্ধে চলোৱা আক্ৰমণত দেশখনৰ ব্যাপক ক্ষয় ক্ষতি হৈছে। নতুন দিল্লীত কিছুসময় পূৰ্বে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত স্থলসেনাৰ কৰ্ণেল ছফিয়া কুৰেশ্বিয়ে কয় যে সশস্ত্ৰ বাহিনীয়ে পাকিস্তানক আক্ৰমণাত্মক আৰু প্ৰতিৰক্ষা সামৰ্থ ধ্বংস কৰিছে। তেওঁ কয় যে ভাৰতীয় অভিযানত অকল সন্ত্ৰাসবাদীৰ ঘাটি আৰু ভাৰত বিৰোধী কাৰ্যকলাপৰ বাবে ব্যৱহাৰ কৰা সুবিধাসমূহ লণ্য কৰি লোৱা হৈছে। ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে কোনো ধৰ্মীয় স্থানক লক্ষ্য কৰি লোৱা নাই বুলি তেওঁ স্পষ্ট কৰি দিয়ে। কৰ্ণেল কুৰেশ্বিয়ে কয় যে পাকিস্তানে জে এফ 17ৰ সহায়ত এছ-400 প্ৰতিৰক্ষা প্ৰণালী আৰু ব্ৰহ্মাছ মিছাইল ঘাটিৰ ক্ষতি সাধন কৰা বুলি কৰা দাবী সম্পূৰ্ণৰূপে ভিত্তিহীন। চিৰচা, জম্মু, পাঠানকোট, ভাতিন্দা, নালিয়া আৰু ভূজত ক্ষতিসাধন কৰা বুলি চলোৱা প্ৰচাৰো সম্পূৰ্ণৰূপে মিছা বুলি তেওঁ উল্লেখ কৰে। কৰ্ণেল কুৰেশ্বিয়ে কয় যে ভাৰত এখন ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ আৰু সেনা বাহিনী সাংবিধানিক প্ৰমূল্যৰাজি সুন্দৰ নিদৰ্শন। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত উইং কমাণ্ডাৰ ব্যোমিকা সিঙে কয় যে ভাৰতীয় সেনাই মছজিদৰ ক্ষতিসাধন কৰা বুলি পাকিস্তানে উত্থাপন কৰা অভিযোগ ভূৱা আৰু ভিত্তিহীন।

ooooo

ইয়াৰ আগেয়ে ভাৰতীয় সেনাই জম্মুৰ সমীপৰ কেইবাটাও পাকিস্তানী চকী আৰু কূটাঘাটমূলক কাৰ্যকলাপৰ বাবে সন্ত্ৰাসবাদী প্ৰেৰণৰ ঘাটি স্বৰূপ ভালেসংখ্যক লন্স পেড ধ্বংস কৰিছে। এইসমূহ টিউব লন্স ড্ৰোন উৎক্ষেপনৰ বাবে ব্যৱহাৰ কৰা হৈছে। ভাৰতীয় সেনাই প্ৰকাশ কৰা মতে আজি পুৱা প্ৰায় ৫ বজাত অমৃতচৰৰ খাছা চাউনীৰ ওপৰত শত্ৰুপক্ষৰ কেইবাটাও অস্ত্ৰ শস্ত্ৰৰে সুসজ্জিত ড্ৰোন প্ৰত্যক্ষ কৰা হয়। বায়ু প্ৰতিৰক্ষা গোটে ততালিকে এই ড্ৰোনসমূহ ঘেৰি ধৰে আৰু আকাশতে নষ্ট কৰে। সেনাই আজি নিচেই পুৱা অমৃতচৰৰ আকাশত উৰি থকা পাকিস্তানৰ কেইবাটাও কামিকেজ ড্ৰোনো নিষ্ক্ৰীয় কৰে। সেনাই প্ৰকাশ কৰা মতে পাকিস্তানী বাহিনীয়ে ঘন বসতিপূৰ্ণ আবাসীক এলেকাত আক্ৰমণ কৰাৰ উদ্দেশ্যে আন্তৰাষ্ট্ৰীয় সীমান্তৰ পৰা পাঞ্জাবৰ অমৃতচৰ অভিমুখে কেইবাটাও ৱাইকাৰ YIHA-3 কামিকেজ ড্ৰোন নিক্ষেপ কৰে। অৱশ্যে ভাৰতীয় সেনাৰ বায়ু প্ৰতিৰক্ষা নেটৱৰ্কে ভাৰতীয় আকাশমাৰ্গত প্ৰৱেশ কৰা কেইচেকেণ্ডমানৰ পিছতে শত্ৰুপক্ষৰ এই ড্ৰোনসমূহ চিনাক্ত কৰে আৰু এইসমূহ নিষ্ক্ৰীয় কৰে। সীমান্তত নিয়োজিত হিলৈদাৰীসকলে দ্ৰুত সহাৰি বায়ু প্ৰতিৰক্ষা গানৰ সহায়ত অসামৰিক লোকৰ ঘৰৰ ওপৰত ধ্বংসাৱশেষ নপৰাকৈ আকাশতে এই ড্ৰোনসমূহ ধ্বংস কৰে। প্ৰাৰম্ভিক বিশ্লেষণৰ পৰা ড্ৰোনসমূহত উচ্চ ক্ষমতা সম্পন্ন বিস্ফোৰক সামগ্ৰী থকা বুলি আৰু নিৰীহ জনসাধাৰণৰ সৰ্বাধিক ক্ষতি সাধনৰ উদ্দেশ্যে ড্ৰোনসমূহ উৎক্ষেপন কৰা হৈছিল বুলি জানিব পৰা গৈছে।

ভাৰতীয় সেনাই যোৱা নিশা আন্তৰাষ্ট্ৰীয় সীমান্ত আৰু নিয়ন্ত্ৰণৰেখাৰ সমীপত বাৰামুল্লাৰ পৰা ভূজ পৰ্যন্ত ২৬টা স্থানক লক্ষ্য কৰি পাকিস্তানে চলোৱা ড্ৰোন আক্ৰমণো সফলতাৰে প্ৰতিহত কৰে। এই স্থানসমূহৰ ভিতৰত বাৰামুল্লা, শ্ৰীনগৰ, অৱন্তিপ'ৰা, নগ্ৰোতা, জম্মু, ফিৰোজপুৰ, পাঠানকোট, ফাজিল্কা, লালগড় জট্টা, জেইচেলমেৰ, বাৰমেৰ, ভূজ, কুৱাৰবেট আৰু লাখিনালা আছে। ভাৰতীয় প্ৰতিৰক্ষা বাহিনীয়ে এই প্ৰচেষ্টাসমূহ ব্যৰ্থ কৰে। অৱশ্যে এই আক্ৰমণত ফিৰোজপুৰৰ এটা বাসগৃহত ক্ষতিসাধন হয় আৰু এটা পৰিয়ালৰ তিনিজন সদস্য আহত হয়।

আহত লোককেইজনক চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে আৰু তেওঁলোক বৰ্তমান নিৰাপদে আছে। ইপিনে, সীমান্ত সুৰক্ষা বাহিনীয়ে পাকিস্তানৰ লুনি আৰু শিয়ালকোট জিলাত থকা সন্ত্ৰাসবাদীৰ কেইবাটাও লঞ্চ পেড ধ্বংস কৰে। পাকিস্তানী সেনাই যোৱা নিশা জম্মু খণ্ডত থকা সীমান্ত সুৰক্ষা বাহিনীৰ কেইটাও চকীত অপ্ৰৰোচিতভাৱে গুলিবৰ্ষণ কৰে। সীমান্ত সুৰক্ষা বাহিনীয়ে ইয়াৰ যোগ্য প্ৰত্যুত্তৰত দিয়ে। সীমান্ত সলুৰক্ষা বাহিনীয়ে গুলিবৰ্ষণত পাকিস্তানৰ সীমান্ত সুৰক্ষা বাহিনী পাকিস্তান ৰেঞ্জাৰ্ছৰ ব্যাপক ক্ষতিসাধন হোৱা বুলি জানিব পৰা গৈছে। ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহে উচ্চ সতৰ্কতা অৱলম্বন কৰিছে আৰু আকাশমাৰ্গেৰে অহা সকলো ভাবুকি প্ৰতিহত কৰিছে। পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি থকা হৈছে আৰু প্ৰয়োজন সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সীমান্ত অঞ্চলত বাস কৰা জনসাধাৰণক ঘৰৰ ভিতৰতে থাকিবলৈ আৰু স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা নিৰাপত্তা বিষয়ক নিয়মসমূহ মানি চলিবলৈ কোৱা হৈছে। ইপিনে, ভাৰতীয় বায়ুসেনাই আদমপুৰত পাকিস্তানী বায়ু সেনাই ভাৰতত এছ্-400 প্ৰতিৰক্ষা প্ৰণালী ধ্বংস কৰা বুলি পাকিস্তানৰ চৰকাৰী টিভি চেনেল পি টিভি নিউজ প্ৰচাৰিত বাতৰি স্পষ্টভাৱে খণ্ডন কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰতিৰক্ষা ৰাজনাথ সিং আৰু সেনা বাহিনীৰ তিনিওটা শাখাৰ মুৰব্বীসকলৰ সৈতে বৈঠকত মিলিত হয়। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালো বৈঠকত উপস্থিত থাকে। পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ প্ৰত্যাক্ৰমণৰ মাজতে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত প্ৰধানমন্ত্ৰী বাসগৃহত অনুষ্ঠিত এই বৈঠকে বিশেষ তাৎপৰ্য বহন কৰিছে।

ooooo

ভাৰতে আফগান ভূ-ভাগত ক্ষেপনাস্ত্ৰৰে আক্ৰমণ চলোৱা বুলি পাকিস্তানে উত্থাপন কৰা অভিযোগ আফগানিস্তানে নুই কৰিছে। আফগান নিউজ নেটৱৰ্কৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত আফগানিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী ইনায়তুল্লা খাৰাৰিজে আজি কয় যে এই ধৰণৰ দাবী সম্পূৰ্ণৰূপে ভিত্তিহীন।

ভাৰতৰ বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে আজি পুৱা এখন সংবাদমেলত কয় যে পাকিস্তানে ভাৰতীয় ক্ষেপনাস্ত্ৰই আফগানিস্তানত আঘাত  হনা বুলি ভূৱা অভিযোগ উত্থাপন কৰিছে। তেওঁ কয় যে আফগানিস্তানৰ জনসাধাৰণে শত্ৰু কোন আৰু মিত্ৰ কোন জানে। কোনখন দেশে আফগানিস্তানৰ ভূভাগ বাৰে বাৰে উলংঘা কৰি আহিছে সেই বিষয়েও তেওঁলোক অৱগত বুলি বিদেশ সচিবগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ পূৰ্বে পাকিস্তানৰ কেইগৰাকীমান সেনা বিষয়াই ভাৰতত ক্ষেপনাস্ত্ৰ আক্ৰমণত আফগানিস্তানৰ ভূভাগক লক্ষ্য কৰি লোৱা বুলি দাবী কৰিছিল।

ooooo

ভাৰতে সিন্দুৰ অভিযান আৰম্ভ কৰাৰ পিছত পাকিস্তানত জইছ্ ই মহম্মদ আৰু লস্কৰ এ তৈয়বাৰ ৫ জন সন্ত্ৰাসবাদী নিহত হয়। এটা সূত্ৰত প্ৰকাশ কৰা অনুসৰি নিহত সন্ত্ৰাসবাদী কেইজন হৈছে মুদাচাৰ খাদিয়াম খাছ ওৰফে আবু জুন্দাল, মৌলানা মাচুদ আজহাৰৰ সম্বন্ধীয় ভাতৃ হাফিজ মহম্মদ জামিল, মহম্মদ ইউছুফ আজহাৰ, খালিদ ওৰফে আবু আকাচা আৰু মহম্মদ হাচান খান। চলিত মাহৰ ৭ তাৰিখে এই সন্ত্ৰাসবাদী কেইজন সিন্দুৰ অভিযানত  মৃত্যু হয়।

ooooo

এয়াৰ ট্ৰেফিক কণ্ট্ৰল অৰ্থাৎ এ টি চিৰ পৰা সেউজ সংকেত পোৱাৰ পিছতে উত্তৰাখণ্ডৰ কেদাৰনাথ ধামৰ বাবে হেলিকপ্তাৰ সেৱা পুনৰ আৰম্ভ কৰা হৈছে। এটিচিয়ে দেশৰ সকলো বিমান সেৱাৰ পৰ্যালোচনা কৰাৰ পাছত চাৰধাম যাত্ৰাৰ বাবে হেলিকপ্তাৰ সেৱাৰ অনুমতি প্ৰদান কৰিছে। কেদাৰনাথৰ বাবে হেলিকপ্তাৰ সেৱা কেইঘণ্টামানৰ বাবে বন্ধ আছিল যদিও বৰ্তমান স্বাভাৱিক প্ৰক্ৰিয়াৰে চলি আছে।

ooooo

শ্ৰোতাসকল, পাকিস্তানে সামাজিক মাধ্যমযোগে অপপ্ৰচাৰ চলাই আহিছে। এই জটিল ক্ষণত সকলো তথ্য সতৰ্কতাৰে চালি জাৰি চোৱাটো অতিকে জৰুৰী। যদিহে আপোনালোকে কোনো সন্দেহজনক বিষয়বস্তু বিশেষকৈ ভাৰতীয় সশস্ত্ৰ বাহিনী অথবা সাম্প্ৰতিক পৰিস্থিতিৰ  সৈতে জড়িত কোনো তথ্য লাভ কৰে তেন্তে এই তথ্য প্ৰেছ ইনফৰমেছন ব্যুৰ'ক অৱগত কৰা উচিত। শ্ৰোতাসকলে   ৮৭৯৯৭১১২৫৯ নম্বৰত ৱাটছ্আপযোগে আৰু FACTCHECK@pib.gov.in ত ইমেইলযোগে এনে তথ্যৰ বিষয়ে অৱগত কৰিব পাৰিব।

ooooo

ঃঃ সমাপ্ত ঃঃ